Total No. of Printed Pages—3

**2 SEM TDC ASM M 1**

**2019**

( May )

ASSAMESE

( Major )

Course : 201

**( History of Assamese Literature )**

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) ১৮৩৬ চনত স্কুল-আদালতৰ পৰা বিতাৰিত অসমীয়া ভাষাই কোন চনত পুনঃপ্ৰচলনৰ সুযোগ লাভ কৰিলে ?

(খ) ‘হেমকোষ’ অভিধানৰ ৰচকৰ নাম লিখাঁ।

(গ) ‘অৰুণোদই’ৰ পাতত ‘নামঘোষা’-‘কীৰ্তন-ঘোষাৰ’ আৰ্হিৰ ছন্দত পদ্য লিখা ন.ল.ফ.ৰ সম্পূৰ্ণ নাম কি ?

(ঘ) অসমীয়াত প্ৰথম ছনেট ‘প্ৰিয়তমাৰ চিঠি’ কাৰ ৰচনা ?

(ঙ) "... আমি যুঁজিবলৈ ওলাইছোঁ আন্ধাৰৰ বিপক্ষে, উদ্দেশ্য—দেশৰ উন্নতি, জোনাক।" 'জোনাকী'ৰ আত্মকথাত কথাষাৰ কোনে লিখিছিল?

(চ) 'আৱাহন' আলোচনীখন কোন চনত প্ৰথম প্ৰকাশ হৈছিল?

(ছ) 'এজনী জাপানী ছোৱালী' গল্পৰ গল্পকাৰ কোন?

(জ) অসমীয়া সাহিত্যৰ প্ৰথম সামাজিক উপন্যাসখনৰ নাম লিখাঁ।

২। (ক) "আলোচনীক কেন্দ্ৰ কৰিয়ে আধুনিক অসমীয়া সাহিত্যই প্ৰতিষ্ঠা লাভ কৰিলে ...।" কথাষাৰৰ আধাৰত আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়মূলক এটা টোকা লিখাঁ। ১০

*অথবা*

(খ) 'অৰুণোদই' কাকতেই "পাশ্চাত্যৰ ভাৱধাৰাৰ বীজ সিঁচি আধুনিকতা প্ৰতিষ্ঠা কৰাত সহায় কৰে।" কথাষাৰৰ আঁত ধৰি অৰুণোদই যুগৰ অসমীয়া সাহিত্যৰ এটি চমু পৰিচয় দাঙি ধৰাঁ।

৩। (ক) "হেমচন্দ্ৰ-গুণাভিৰামৰ হাততে অসমীয়া গদ্যই নিজস্ব মহিমা লাভ কৰিলে ...।" কথাষাৰৰ তাৎপৰ্য বিশ্লেষণ কৰাঁ। ১৩

*অথবা*

(খ) প্ৰাক্-ৰোমান্টিক স্তৰৰ যি কোনো দুজন কবিৰ কাব্যকৃতি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

৪। (ক) 'জোনাকী' কাকতকে কেন্দ্র কৰি অসমীয়া সাহিত্যত এটা নতুন যুগৰ সূচনা হ'ল—কথাষাৰৰ আঁত ধৰি এটা আলোচনা দাঙি ধৰাঁ। ১৩

অথবা

(খ) 'জোনাকী'কে আশ্রয় কৰি অসমীয়া সাহিত্যলৈ প্ৰৱেশ ঘটা ৰোমাণ্টিক ভাৱধাৰাৰ এটি পৰিচয়মূলক টোকা লিখাঁ।

৫। (ক) আৱাহন যুগৰ সাহিত্যৰ বৈশিষ্ট্যসমূহ খৰচি-মাৰি আলোচনা কৰাঁ। ১৩

অথবা

(খ) আৱাহন যুগৰ অসমীয়া নাট্য-সাহিত্যৰ বৈশিষ্ট্যসমূহ দাঙি ধৰাঁ।

৬। (ক) যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসৰ প্ৰকৃতি আৰু বিকাশ সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ১৩

অথবা

(খ) যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ গতি-প্ৰকৃতি সম্পৰ্কে এটি টোকা লিখাঁ।

৭। চমু টোকা লিখাঁ (যি কোনো এটা) : ১০

(ক) ডক্টৰ নাথান ব্ৰাউন

(খ) অসমীয়া ভ্ৰমণ-সাহিত্য

(গ) চৈয়দ আব্দুল মালিক

★ ★ ★